# শালিমাৰ পেইণ্টছৰ উদ্ভাৱনীমূলক সামগ্ৰী মুকলি

গুৱাহাটী ঃ কলকাতাত অনুষ্ঠিত এক অনুষ্ঠানত শালিমাৰ পেইণ্টছ লিমিটেডে তেওঁলোকৰ ফ্লেগশ্বিপ সামগ্ৰী হিৰ'ৰ সফলতা উদ্‌যাপন কৰাৰ লগতে নতুন উদ্ভাৱনীমূলক সামগ্ৰী মুকলি কৰিছে। প্ৰায় ১২০ বছৰতকৈ অধিক সময় ধৰি ভাৰতৰ ৰঙৰ উদ্যোগটোৰ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে শালিমাৰ পেইণ্টছ লিমিটেডে বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। এই অনুষ্ঠানত হিৰ' ছুপাৰ প্ৰিমিয়াম, প্ৰিমিয়াম ইণ্টেৰিঅ' ইমালচন জয় আদিৰ দৰে সামগ্ৰী মুকলি কৰে। মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি শালিমাৰ পেইণ্টছৰ সঞ্চালক কুলদীপ ৰাইনাই কয় যে গ্ৰাহকৰ 'পছন্দৰ ওপৰত ভিত্তি কৰি নতুন উদ্ভাৱনেৰে এই সামগ্ৰীসমূহ মুকলি কৰিছে তেওঁলোকে। ইয়াৰ দ্বাৰা ৰঙৰ বজাৰত অংশীদাৰিত্ব বৃদ্ধিৰ লক্ষ্য লৈছে প্ৰতিষ্ঠানটোৱে।